# Sample Question Paper
## Class - X, (SA – II)
## Subject : Assamese (Code No. – 014)

*Time : 3 hours* *Full Marks : 90*

***The question paper is divided in to four Sections.***

| | |
|---|---|
| **SECTION A : Reading (comprehension)** | **15 Marks.** |
| **SECTION B : Writing** | **15 Marks.** |
| **SECTION C : Grammar** | **25 Marks.** |
| **SECTION D : Literature/Text Books** | **35 Marks.** |

### [Section - A]

**ইতিহাস ঃ** অলিম্পিকৰ ইতিহাস অতি পুৰণি। ইয়াৰ আৰম্ভণি গ্ৰীচ দেশৰ অলিম্পিয়া চহৰত ৭৭৬ খৃষ্ট পূৰ্বত। অলিম্পিয়াৰ অলিম্পিক পাহাৰত গ্ৰীক দেৱতা জিউচৰ মন্দিৰত অৱস্থিত। এই দেৱতাৰ সন্মানৰ অৰ্থেই মন্দিৰৰ সন্মুখৰ মুকলি পথাৰত আৰম্ভ হৈছিল জাতীয় খেল-ধেমালি প্ৰতিযোগিতা শান্তিৰ সময়ত প্ৰতি চাৰি বছৰৰ মূৰে মূৰে আৰম্ভ হোৱা এই প্ৰতিযোগিতা। এফালে আছিল দেৱতাৰ সন্মান প্ৰদৰ্শনৰ মহা মহোৎসৱ, আনফালে ই আছিল জাতীয় ঐক্য আৰু শান্তিৰ প্ৰতীক। বিজয়ী প্ৰতিযোগীসকলক বঁটা স্বৰূপে দিয়া হৈছিল জলফাই গছৰ একোটা ডাল আৰু শিৰ সুশোভিত কৰা হৈছেল জলফাই গছৰ পাতেৰে সজোৱা একোটা মুকুটেৰে। খৃঃপূঃ ৭৭৬ ৰ পৰা খৃষ্টাব্দ ৩৯৬ লৈ একাদিক্ৰমে ১১৭২ বছৰ চলাৰ পাছত এই প্ৰতিযোগিতা সেই দেশৰ সম্ৰাট থিয়ড'চিয়াছে কোনো কাৰণত নিষিদ্ধ কৰি দিয়ে।

**আধুনিক অলিম্পিক ঃ** কিন্তু মানুহৰ সুন্দৰৰ সাধনাৰ অনিৰুদ্ধ প্ৰেৰণাই অলিম্পিকৰ গৌৰৱময় ঐতিহ্যক চিৰদিনৰ বাবে কালৰ বুকুত বিলীন হৈ যাবলৈ নিদিলে। ইয়াৰ পুনৰুত্থান ঘটিল ১৮৯৬ খৃষ্টাব্দত। সেই বছৰৰ ৬ এপ্ৰিলৰ পৰা

P.T.O

www.careerin



১৫ এপ্ৰিললৈ গ্ৰীচ দেশৰ ৰাজধানী এথেন্স চহৰত অনুষ্ঠিত হয় আধুনিক অলিম্পিক ক্ৰীড়া সমাৰোহ। এয়ে প্ৰথম বিশ্ব অলিম্পিক ক্ৰীড়া সমাৰোহৰ আৰম্ভণি। এই বিশ্ব অলিম্পিকৰ প্ৰতিষ্ঠাতা আছিল ফ্ৰান্সৰ পিয়েৰ দা ফ্ৰেড্ আৰু গ্ৰীচৰ বেৰণ পিয়েৰ দা কুবাৰটিন। এই সমাৰোহত বিশ্বৰ ১৩ খন দেশৰ ৩১১ জন ক্ৰীড়া প্ৰতিযোগীয়ে বিশ্ব ইতিহাসৰ কষটি শিলত নাম খোদিত কৰিবলৈ আগবাঢ়ি আহিছিল। তেতিয়াৰে পৰা নিৰৱচ্ছিন্নভাৱে প্ৰতি ৪ বছৰৰ মূৰে মূৰে বিশ্বৰ বিভিন্ন মহানগৰীত এই সমাৰোহ অনুষ্ঠিত হৈ আহিছে। অৱশ্যে ১৯১৬ চনত প্ৰথম মহাসমৰ আৰু ১৯৪০ আৰু ১৯৪৪ চনত দ্বিতীয় মহা সমৰৰ বাবে সমাৰোহ অনুষ্ঠিত হোৱা নাছিল। ২৫ তম অলিম্পিক ২০০৪ চনত অলিম্পিকৰ জন্মনগৰী গ্ৰীচৰ এথেন্স চহৰত মহাসমাৰোহেৰে অনুষ্ঠিত হৈ যায়।

**প্ৰতিযোগিতাৰ খেলসমূহ ঃ** বিশ্ব অলিম্পিক ক্ৰীড়া সমাৰোহত এইবোৰ খেল-সন্নিবিষ্ট কৰা হৈছে— এথ্‌লেটিকছ, জিমনাষ্টিকছ, বেড্‌মিণ্টন, ফুটবল, ভলীবল, হেণ্ডবল, বে'ছ বল, বাস্কেট বল, হকী, টেনিছ, টেবুল টেনিছ, আৰ্চাৰী (ধনুবিদ্যা), মল্লযুদ্ধ, বক্সিং, চাইক্লিং, ছুইমিং (ডাইভিং আৰু ৱাটাৰ পল'সহ), ব'টিং, শ্বুটিং, কেন'য়িং য়টিং, ওৱেট লিফটিং, ইকুৱেষ্টিয়ান, ফেন্সিং, জুডো, মৰ্ডান পেণ্টাথ্‌লন।

**মাৰাথন ৰেচ ঃ** অলিম্পিকৰ আটাইতকৈ সন্মানজনক আৰু সৰ্বশ্ৰেষ্ঠ দৌৰ প্ৰতিযোগিতা হৈছে মাৰাথান ৰেচ। ইয়াৰ ইতিহাসো বিচিত্ৰ। ইয়াত নিহিত আছে এজন গ্ৰীক যোদ্ধাৰ অফুৰন্ত দেশপ্ৰেমৰো নিদৰ্শন। খৃঃপূঃ ৪৯০ ত সংঘটিত হোৱা এখন যুদ্ধত গ্ৰীকসকলে জয়লাভ কৰাৰ গৌৰৱৰ বাতৰিটো মাৰাথান নামৰ ঠাইৰ পৰা এথেন্সলৈ কঢ়িয়াই আনিছিল ফাইডি স্পাইডিছ নামৰ এজন গ্ৰীক যোদ্ধাই। মাৰাথানৰ পৰা এথেন্সৰ দূৰত্ব ২৬ মাইল ৩৮৫ গজ। দৌৰি দৌৰি এই সুদীৰ্ঘ দূৰত্ব অতিক্ৰম কৰি আহি এথেন্সত জয়ৰ বাতৰিটো দিয়াৰ পাছতেই যোদ্ধাজনৰ মৃত্যু হয়। তেওঁৰ স্মৃতি চিৰস্মৰণীয় কৰি ৰখাৰ উদ্দেশ্যেই এই মাৰাথন দৌৰ প্ৰতিযোগিতাৰ অৱতাৰণা কৰা হয়। মাৰাথান দৌৰৰ দূৰত্বও ২৬ মাইল ৩৮৫ গজ।

**অলিম্পিক প্ৰতীক ঃ** অলিম্পিকৰ এটি অৰ্থপূৰ্ণ প্ৰতীক আছে। ই পাঁচটা আঙুঠিৰ সমষ্টি। প্ৰথম শাৰীত ওচৰা-ওচৰিকৈ তিনিটা আৰু দ্বিতীয় শাৰীত দুটা

আঙঠি আছে। দ্বিতীয় শাৰীৰ প্ৰথমটোৱে ওপৰৰ শাৰীৰ প্ৰথম আৰু দ্বিতীয় আঙুঠিক আৰু দ্বিতীয়টোৱে ওপৰৰ দ্বিতীয় আৰু তৃতীয় আঙুনিক সাঙুৰি ৰাখিছে ওপৰৰ আঙুঠি তিনিটাৰ ৰং ক্ৰমে নীলা, ক'লা আৰু ৰঙা আৰু তলৰ দুটাৰ ৰং হালধীয়া আৰু সেউজীয়া। প্ৰতীকটোৰ পাঁচটা আঙুঠিয়ে পৃথিৱীৰ পাঁচখন মহাদেশক বুজাইছে। ১৯২০ চনত বেল্‌জিয়ামৰ আণ্টোয়াৰ্প চহৰত অনুষ্ঠিত অলিম্পিকত প্ৰথমবাৰৰ বাবে এই প্ৰতীক ব্যৱহাৰ কৰা হয়।

**অলিম্পিক শিখা ঃ** অতি প্ৰাচীনকালৰে পৰা জুইক চূড়ান্ত শক্তিৰ প্ৰতীক ৰূপে গণ্য কৰা হৈ আহিছে। অলিম্পিকতো পৱিত্ৰ অগ্নিক সাক্ষী কৰি শপত গ্ৰহণ কৰাৰ প্ৰথা প্ৰচলিত আছিল। আধুনিক অলিম্পিকত ১৯২৮ চনত হলেণ্ডৰ আমষ্টাৰডাম ষ্টেডিয়ামত অনুষ্ঠিত সমাৰোহত ইয়াৰ প্ৰথম ব্যৱহাৰ কৰা হয়। ১৯৩৬ চনত জাৰ্মানীৰ বাৰ্লিনত অনুষ্ঠিত অলিম্পিকৰ পৰা গ্ৰীচৰ অলিম্পিয়াত ৰখা অনিৰ্বাণ শিখা দৌৰবীৰসকলৰ দ্বাৰা ৰীলে যোগে সমাৰোহ স্থললৈ কঢ়িয়াই নিয়াৰ ৰীতি প্ৰচলিত হয়।

**অলিম্পিক সংগীত ঃ** ১৮৯৬ খৃষ্টাব্দত এথেন্সত অনুষ্ঠিত হোৱা প্ৰথম আধুনিক বিশ্ব অলিম্পিকৰ সময়ত বিখ্যাত গ্ৰীক কবি কষ্টেছ পামছৰ এটি কবিতাৰ আলমত স্পাইৰ'ছ ছামাৰ'ছ নামৰ গ্ৰীক প্ৰৱন্ধকাৰে অলিম্পিক সংগীত এটি ৰচনা কৰে। এই সংগীতটিকে ১৯৬৪ খৃষ্টাব্দৰ টকিঅ' অলিম্পিকৰ সময়ত বহা আন্তঃৰাষ্ট্ৰীয় অলিম্পিক কমিটিয়ে সংগীত হিচাপে অনুষ্ঠানিক স্বীকৃতি প্ৰদান কৰে।

**অলিম্পিকত ভাৰতৰ ভূমিকা ঃ** অলিম্পিক ক্ৰীড়া সমাৰোহত ভাৰতৰ ভূমিকা নিৰাশজনক বুলিয়েই ক'ব পাৰি। ভাৰতে কেৱল হকীত ১৯২৮ খৃষ্টাব্দৰ পৰা ১৯৫৬ খৃষ্টাব্দলৈ একেবাৰে ৬ বাৰকৈ স্বৰ্ণ পদক অৰ্জন কৰি হকী খেলত একচ্ছত্ৰী সম্ৰাটৰূপে পৰিগণিত হ'বলৈ সক্ষম হৈছিল যদিও ১৯৬০ চনত ৰূপৰ পদকহে লাভ কৰিবলৈ সক্ষম হয়। ১৯৪৬ চনত পুনৰ স্বৰ্ণপদক জয় কৰে যদিও ১৯৬৮ আৰু ১৯৭২ চনত ব্ৰঞ্জৰ পদক লৈয়েই সন্তুষ্ট থাকিব লগা হয়। ১৯৭৬ চনত পদক লাভ দূৰৰ কথা ৭ম স্থানহে হয়। ১৯৮০ চনত পুনৰ স্বৰ্ণপদক লাভ কৰি হৃত গৌৰৱ ঘূৰাই আনিবলৈ সক্ষম হৈছিল যদিও তাৰ পাছৰ পৰা ভাৰতে একেবাৰে কেৱল ব্যৰ্থতাকেই প্ৰদৰ্শন কৰি আহিছে।





ভাৰতে ১৯৪৮ চনত অলিম্পিক ফুটবলত প্ৰথমবাৰৰ বাবে প্ৰৱেশ কৰে। ১৯৪৮ আৰু ১৯৫২ চনত প্ৰথম খেলতেই ভাৰতে বিদায় ল'ব লগা হয়। ১৯৫৬ চনত চতুৰ্থস্থান লাভ কৰে। ১৯৬০ চনত ভাৰতে পৰাজয় বৰণ কৰে যদিও চমকপ্ৰদ খেল প্ৰদৰ্শন কৰি, গৌৰৱ কৰিবলৈ সক্ষম হৈছিল। কিন্তু তাৰ পাছৰে পৰা ভাৰতে অলিম্পিক ফুটবলত যোগদানৰ যোগ্যতা অৰ্জন কৰিবলৈকে সক্ষম হ'ব পৰা নাই।

ভাৰতে অলিম্পিকত লেখত লবলগীয়া পাৰদৰ্শিতা দেখুৱাব পৰা নাই যদিও ২০০০ চনৰ চিডিনিত অনুষ্ঠিত অলিম্পিকত টেনিচৰ শাখাত লিয়েণ্ডাৰ পেজে ব্ৰোঞ্জৰ পদক আৰু ২০০৪ চনত শুটিঙৰ শাখাত ৰাজ্যবৰ্ধনে কঢ়িয়াই অনা ৰূপৰ পদকে দেশলৈ গৌৰৱ বৃদ্ধি কৰিছে।

২০০৮ চনৰ বেইজিং অলিম্পিকত ছুটিং শাখাত স্বৰ্ণপদক জয় কৰি প্ৰথম বাৰলৈ অভিনৱ বিন্দাই দেশলৈ গৌৰৱ কঢ়িয়াইছিল।

দৌৰ প্ৰতিযোগিতাতো "উড়ন্ত শিখ" বুলি খ্যাতি অৰ্জন কৰা মিল্‌খা সিং আৰু ভাৰতৰ সোণালী পখিলা পি. টি. উষা চতুৰ্থস্থানলৈয়ে সন্তুষ্ট থাকিব লগা হ'ল।

১। প্ৰশ্ন ঃ ১×১৫=১৫

ক) অলিম্পিক চহৰ কোন দেশত অৱস্থিত?

খ) "জিউচ" কোন?

গ) পোন প্ৰথমে অলিম্পিকত বিজয়ী প্ৰতিযোগীলৈ কি পুৰস্কাৰ দিয়া হৈছিল?

ঘ) অলিম্পিক প্ৰতিযোগিতা নিষিদ্ধ কৰা সম্ৰাটগৰাকী কোন আছিল?

ঙ) আধুনিক অলিম্পিক পুনৰুত্থান কিমান খৃষ্টাব্দত ঘটে?

চ) আধুনিক অলিম্পিকৰ ক্ৰিয়া সমাৰোহ গ্ৰীচৰ কোনখন চহৰত অনুষ্ঠিত হয়?

ছ) আধুনিক অলিম্পিকৰ প্ৰথমখন ক্ৰীড়া সমাৰোহত বিশ্বৰ কিমানখন দেশে যোগদান কৰিছিল?

জ) অলিম্পিকৰ প্ৰতীক চিহ্নটো কিহৰ সমষ্টি?

ঝ) প্ৰাচীন কালৰে পৰা জুইক কিহৰ প্ৰতীক বুলি গণ্য কৰা হৈছে?

ঞ) অলিম্পিকৰ সংগীতটোৰ ৰচক কোন?

ট) কিমান চনত ভাৰতে অলিম্পিক ফুটবলত প্ৰৱেশ কৰে?

ঠ) পোন প্ৰথমবাৰৰ বাবে কোনজন ভাৰতীয় খেলুৱৈয়ে দেশলৈ সোণৰ পদক আজুৰি আনিবলৈ সক্ষম হৈছিল?

ড) "সুন্দৰ" শব্দৰ লিংগ পৰিৱৰ্তন কৰা।

ঢ) বিপৰীত শব্দ লিখা— 'আধুনিক'।

ণ) "প্ৰতীকটোৰ পাঁচটা আঙুঠিয়ে পৃথিৱীৰ পাঁচটা মহাদেশক বুজাইছে।" বাক্যটো শুদ্ধকৈ লিখা।

## [Section - B]

২। তলত দিয়া সংকেত বাক্যৰ সহায়ত এটা গল্প লিখি গল্পটোৰ শিৰোনামা আৰু নীতিশিক্ষা লিখা ঃ ৬+২+২=১০

নদীত দুটা কলহ —— এটা পিতলৰ ——
এটা মাটিৰ —— মাটিৰ কলহে পিতলৰ
কলহক কাষলৈ মাতিলে —— মাটিৰ কলহ
নগ'ল —— কাৰণ মাটিৰ কলহে জানে
পিতলৰ কলহত খুন্দা খালেই নিজে
ভাঙি পৰিব —— এই বন্ধুত্ব বিপদজনক।

*অথবা,*

তলত দিয়া যিকোনো এটা বিষয় লৈ দুশমান শব্দৰ ভিতৰত এখন ৰচনা লিখা ঃ ১০

ক) দুৰ্গা পূজা।

খ) অধ্যৱসায়।





৩। তলত দিয়া যিকোনো এটা ফকৰা-যোজনা বুজাই লিখা ঃ ৫

ক) ধান পকে মানে টুনিৰ মৰণ।

খ) হলা গছত আটায়ে বাগী কুঠাৰ মাৰে।

*অথবা,*

তোমাৰ পৰীক্ষাৰ ফলাফল জনাই তোমাৰ দেউতাৰালৈ এখন চিঠি লিখা। ৫
(চিঠিত তোমাৰ আৰু দেউতাৰাৰ নাম সাংকেতিক আখৰত লিখিবা)

## [Section - C]

৪। তলত দিয়া শব্দবোৰৰ প্ৰত্যয় ভাঙি দেখুওৱা ঃ (যিকোনো পাঁচটাৰ) ১×৫=৫

লাহতী, উলুৱনি, জবৰা, ৰাগিয়াল,
মৰুৱা, পাহুৱাল।

৫। এটা শব্দত প্ৰকাশ কৰা ঃ ১×৫=৫

ক) যাৰ ধৰ্মলৈ ভয় আছে।

খ) যাৰ আগমন আহ্বান কৰা হয়।

গ) যি কণীৰ পৰা জন্মে।

ঘ) য'লৈ যোৱা কষ্টসাধ্য।

ঙ) যি কথা কোৱা উচিত নহয়।

৬। তলত দিয়া শব্দবোৰৰ বিপৰীতাৰ্থক শব্দ লিখা ঃ (যিকোনো পাঁচটাৰ) ১×৫=৫

বিস্তৃত, নিৰ্মল, উৰ্দ্ধ, অমৃত, আকৰ্ষণ, সুখ্যাতি

৭। তলত দিয়া বাক্যবোৰ শুদ্ধকৈ লিখা ঃ ১×৫=৫

ক) মোৰ মূৰটো বৰকৈ বিষাইছে।

খ) ছোৱালীজনীৰ টোপনি আহিছে।

গ) বাহুল্যতা বৰ্জন কৰি তোমাৰ বক্তব্য চমুকৈ দাঙি ধৰা।

ঘ) মোৰ বৰকৈ খং উঠি গুচি আহিলো।

ঙ) মোক ইমানকৈ গালি দিছা কিয়?

৮। ক) লিংগ নিৰ্ণয় কৰা ঃ (যিকোনো তিনিটাৰ) ১×৩=৩

মাতুল, বৈষ্ণৱ, জ্যেষ্ঠ, তনু।

খ) লিংগ পৰিৱৰ্তন কৰা ঃ (যিকোনো দুটাৰ) ১×২=২

নদ, পূৰ্ব, আৰ্য।

## [Section - D]
## (পদ্য ভাগ)

৯। মাত্ৰ এশাৰীত উত্তৰ লিখা ঃ ১×৪=৪

ক) আজান ফকিৰৰ আন এটা নাম কি?

খ) "ৰচুল" মানে কি বুজা?

গ) "মোৰ দেশ মানুহৰ দেশ" কবিতাটিত "ওঙ্কাৰ ধাম"ৰ দ্বাৰা কি বুজাব খুজিছে?

ঘ) পলাশীৰ যুদ্ধ কাৰ মাজত হৈছিল?

১০। চমু উত্তৰ লিখা ঃ ২×৩=৬

ক) "মোৰ দেশ মানুহৰ দেশ" কবিতাটিত মৈত্ৰী আৰু অহিংসাৰ শলিতা জ্বলোৱা কথাষাৰে কি বুজাইছে?

খ) "দেওমাৰি পাৰ হৈ জীৱই আছে চাই। চোৱা চোৱা জীৱসকল ভেলৰে বিলাই।"

"দেওমাৰি পাৰ হোৱা" কথাষাৰে কি বুজাইছে? পাঠৰ আধাৰত লিখা।

গ) চমুটোকা লিখা— হল্‌দিঘাটৰ ৰণ।





১১। তাৎপৰ্য ব্যাখ্যা কৰা ঃ (যিকোনো এফাঁকি কবিতাৰ) ৫

ক) ভাৰত বুৰঞ্জীৰ পাতে পাতে সনা আছে বোল তাৰ।
কেতিয়াবা বিজয় উল্লাস, কেতিয়াবা মূক পৰাভৱ।।

খ) মক্কাৰ দুৱাৰত চাহাব তিৰ্‌বেণীৰ ঘাট।
বেহাব নোৱাৰে তাত মায়াই ভেটে বাট।।

## (গদ্য ভাগ)

১২। তোমাৰ পাঠৰ সহায়ত এশাৰীত উত্তৰ লিখা ঃ ১×৪=৪

ক) কিহে অসমীয়া জাতিক অধিক কট্‌কটীয়া কৰিলে?

খ) ত্ৰয়োদশ শতিকাত অসমলৈ অহা বহিৰাগত গোষ্ঠী কোনটো?

গ) নিউটনৰ "প্ৰিন্‌চিপিয়া" গ্ৰন্থ কিমান চনত প্ৰকাশ পায়?

ঘ) "ট'লেমী" কোন আছিল?

১৩। চমু উত্তৰ লিখা ঃ ২×৩=৬

ক) সোতৰ শতিকাৰ দুটি উল্লেখযোগ্য "বৈজ্ঞানিক মাইলৰ খুটি" কথা উল্লেখ কৰা।

খ) নিউটনৰ "opticks" পুথিৰ নতুন সংস্কৰণৰ ভূমিকাত আইনষ্টাইনে নিউটনৰ বিষয়ে লিখা কথাখিনি দুই বা তিনি শাৰীত লিখা।

গ) চমুটোকা লিখা — প্ৰবাদপুৰুষ 'ডাক'।

১৪। উত্তৰ লিখা ঃ (যিকোনো এটাৰ) ৫

ক) নিউটনৰ বিজ্ঞান চৰ্চাৰ প্ৰভাৱ ক'ত, কেনেদৰে পৰিছিল তোমাৰ পাঠৰ সহায়ত বৰ্ণনা কৰা।

খ) এটা সংমিশ্ৰিত-সংস্কৃতিসম্পন্ন জাতি, ইয়াক নুই কৰাৰ কোনো যুক্তি-তৰ্কৰ অৱকাশ নাই।" পাঠৰ আধাৰত বুজাই লিখা।

## [Supplementary Reader]

১৫। যথাযথ উত্তৰ লিখা ঃ ১×৩=৩

ক) চৰকাৰৰ ফালৰ পৰা বিশেষ বৃত্তি স্থানীয় বিধায়কৰ দ্বাৰা কোনবোৰ ল'ৰা-ছোৱালীক দিবলৈ স্থিৰ কৰা হৈছিল?

খ) বলাইৰ দেউতাকৰ নাম কি?

গ) বলাইহঁতৰ গাঁৱত ভীমৰ ভাও লোৱা মানুহজন কোন?

১৬। শাৰীৰিক বা মানসিকভাৱে প্ৰেৰণাক বাধাগ্ৰস্ত বুলি তুমি ভাবানে? তোমাৰ মতৰ সপক্ষে যুক্তি দিয়া। ২

—— × ——

2/7/16

N. Halai 2-7-16

K. Saru 02/07/16